# পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত ৰঙালী বিহু উদ্‌যাপন

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ৩০ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ আমজোঙাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগত আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত ২৮ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ বাকৰিত অনুষ্ঠিত বিহুতলী মুকলি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণী কোঠাৰ পাঠদানৰ লগতে সংস্কৃতিৰ জগতখনলৈও নিজস্ব অৱদান আগবঢ়াই যাবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটোত গোৱালপাৰাৰ উপৰকৰকুছিৰ 'ৰংমন বিহুৱা দলে' বিহু নাচ প্ৰদৰ্শন কৰাৰ লগতে বড়ো জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে শালপাৰাৰ বড়ো কৃষ্টি দলে। মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সুদীপ্তা ফুকনে গীত পৰিৱেশন কৰাৰ লগতে বাঁহী বাদনেৰে দৰ্শকসকলক আপ্লুত কৰে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দিব্যজ্যোতি কাকতিয়ে। মহাবিদ্যালয়ৰ ছাত্ৰী জনমণি খাখলাৰি, মেঘনা পাটগিৰী, উষাদেৱী দৈমাৰী, উদয়া ৰাভাই নৃত্য পৰিৱেশন কৰাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ যতীন ৰাভা আৰু ছাত্ৰী প্ৰিয়ংকাই গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। বিহুতলীতে আই আই টি জে এমৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হোৱা গণিত বিভাগৰ ছাত্ৰ ৰূপম ৰায়, ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰী ৰবিতা ৰাভা আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ দেৱৰ্ষি নাৰায়ণ বৰুৱা আৰু ধীৰাজ ৰাভাক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে আঁত ধৰা অনুষ্ঠানটোত আমন্ত্ৰিত স্থানীয় শিল্পী নিপন নাথ আৰু চন্দন দৈমাৰীয়ে গীত পৰিৱেশন কৰে।

...নেতা বাণীৰাম বৰ্মনে